# REGIONAL NEWS UNIT

ALL INDIA RADIO, GUWAHATI

0000000000

**Date :** 09-06-2023

**Time :** 0900 Hrs

***Assamese Morning Bulletin***

**<u>Headlines (09-06-2023) 0900 Hrs.</u>**

১। অহা ২০ ৰ পৰা ২২ জুনৰ ভিতৰত ৰাজ্যৰ ১৯ খন নৱনির্মিত চাহ বাগিছা আদর্শ বিদ্যালয় উদ্বোধন কৰা হ'ব বুলি মুখ্যমন্ত্রী ড° হিমন্ত বিশ্ব শৰ্মাৰ ঘোষণা।

২। অসম চৰকাৰৰ হস্ততাত আৰু বস্ত্রশিল্প সঞ্চালকালয়ৰ উদ্যোগত নাৰী সবলীকৰণৰ বাবে আৰম্ভ কৰা স্বনির্ভৰ নাৰী শীর্ষক আঁচনিৰ দ্বিতীয় পর্যায়ৰ পঞ্জীয়ন আৰম্ভ।

৩। বান সাহায্যৰ ক্ষিপ্র আৰু সুচল বিতৰণৰ ক্ষেত্রত সংস্কাৰ অনাৰ বাবে অসম ৰাজ্যিক দুর্যোগ ব্যৱস্থাপনা প্রাধিকৰণৰ বিভিন্ন ব্যৱস্থা গ্রহণ।

৪। মহাবিদ্যালয় সমূহত ২০২৩-২৪ শৈক্ষিক বর্ষৰ পৰা উমৈহতীয়া প'র্টেল 'সমর্থ'ৰ জৰিয়তে নামভর্তি কৰা হ'ব বুলি ৰাজ্যৰ উচ্চ শিক্ষাধিকর্তাৰ প্রকাশ।

*আৰু*

৫। ইংলেণ্ডৰ অ'ভেলত বিশ্ব টেষ্ট ক্রিকেট চেম্পিয়নশ্বিপৰ ফাইনেলত অষ্ট্রেলিয়াই প্রথম ইনিংছত সংগ্রহ কৰা ৪৬৯ ৰানৰ প্রত্যুত্তৰত ভাৰতৰ কালি দ্বিতীয় দিনাৰ খেলৰ শেষলৈ ৫টা উইকেটৰ বিনিময়ত ১৫১ ৰান সংগ্রহ।

০০০০০০০

অহা ২০ ৰ পৰা ২২ জুনৰ ভিতৰত ৰাজ্যৰ ১৯ খন নৱনির্মিত চাহ বাগিছা আদর্শ বিদ্যালয় উদ্বোধন কৰা হব বুলি মুখ্যমন্ত্রী ড° হিমন্ত বিশ্ব শৰ্মাই ঘোষণা কৰিছে। খানাপাৰাৰ অসম প্রশাসনীয় পদাধিকাৰী মহাবিদ্যালয়ত এই বিদ্যালয়সমূহত নিযুক্তিপ্রাপ্ত ১৩০ গৰাকী অধ্যক্ষ আবু শিক্ষক শিক্ষয়িত্রীৰ সৈতে হোৱা মত বিনিময় অনুষ্ঠানত মুখ্যমন্ত্রীয়ে এই কথা প্রকাশ কৰে। তেওঁ কয় যে ৰাজ্যৰ চাহ জনগোষ্ঠীৰ ছাত্র-ছাত্রীসকলৰ শৈক্ষিক দিশৰ উন্নয়নৰ বাবে চৰকাৰে নিৰন্তৰ প্রয়াস অব্যাহত ৰাখিছে। সেই উদ্দেশ্যেৰে যোৱা বছৰৰ পৰা চাহ বাগিছা অঞ্চলত ৯৭ খন আদর্শ বিদ্যালয়ত পাঠদান আৰম্ভ হৈছে। ২০ জুনৰ পৰা উদ্বোধন হ'বলগীয়া এই ১৯ খন বিদ্যালয়ত প্রায় দুহেজাৰ ৬০০ গৰাকী ছাত্র-ছাত্রীয়ে নামভর্তি কৰিছে বুলি মুখ্যমন্ত্রীয়ে জানিবলৈ দিয়ে। উচ্চশিক্ষাৰ ক্ষেত্রত জনগোষ্ঠীটোৰ নৱ-প্রজন্মক আগুৱাই নিব পৰাকৈ ৰাজ্য চৰকাৰে ২৫ খন মহাবিদ্যালয় স্থাপনৰ সিদ্ধান্ত লৈছে বুলি মুখ্যমন্ত্রীয়ে প্রকাশ কৰে। তেওঁ লগতে আদর্শ বিদ্যালয়সমূহক শীঘ্রে উচ্চতৰ মাধ্যমিক পর্যায়লৈ উন্নীত কৰা হ'ব বুলি ঘোষণা কৰে। মুখ্যমন্ত্রীয়ে এই বিদ্যালয়ৰ শিক্ষক-শিক্ষয়িত্রী, অধ্যক্ষ আৰু অন্যান্যসকলক উৎসর্গিত মনোভাৱেৰে দায়িত্ব পালন কৰিবলৈ আহ্বান জনায়। তদুপৰি প্রতিখন বিদ্যালয়ত সুন্দৰ প্রাকৃতিক পৰিৱেশ বিৰাজমান হৈ থকাটো নিশ্চিত কৰিবলৈ ছাত্র-ছাত্রীৰ সংখ্যা অনুযায়ী একোটাকৈ গছপুলি বিদ্যালয় চৌহদৰ সীমাত ৰোপণ কৰাৰ লগতে শিক্ষক-শিক্ষয়িত্রীসকলকো একোটাকৈ গছপুলি ৰোপণ কৰিবলৈ মুখ্যমন্ত্রীয়ে আহ্বান জনায়। শিক্ষামন্ত্রী ডাঃ ৰণোজ

পেগুও উপস্থিত থকা অনুষ্ঠানটোত বিদ্যালয়সমূহৰ পৰিচালনা, আনুসংগিক খৰচৰ বাবে মুখ্যমন্ত্ৰীয়ে অনিৰ্ধাৰিত পুঁজিৰ পৰা ১ লাখ টকাকৈ প্ৰদান কৰে।

০০০০০০০

মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই আজি জনতা ভৱনত অনুষ্ঠিত হ'বলগীয়া মন্ত্ৰীসভাৰ এখন বৈঠকত অংশগ্ৰহণ কৰিব। বিয়লি ৫ বজাত এই বৈঠক আৰম্ভ হ'ব।

০০০০০০০

ৰাজ্য চৰকাৰে হস্ততাত আৰু বস্ত্ৰশিল্প সঞ্চালকালয়ৰ উদ্যোগত নাৰী সবলীকৰণৰ বাবে **স্বনিৰ্ভৰ নাৰী** নামেৰে এখন আঁচনি ৰূপায়ণৰ সিদ্ধান্ত গ্ৰহণ কৰিছে। অসম চৰকাৰৰ ২০২১-২২ বৰ্ষৰ বাজেটত কৰা ঘোষণা অনুসৰি এই আঁচনিখন আৰম্ভ কৰা হৈছিল। এই আঁচনিৰ দ্বিতীয় পৰ্যায়ৰ পঞ্জীয়ণ আজি অৰ্থাৎ ৯ জুনৰ পৰা পুনৰ আৰম্ভ কৰা হৈছে। অসম ভিন্ন প্ৰান্তৰ শিপিনীসকলে অনলাইন প'ৰ্টেল swanirbharnaari.assam.gov.inৰ জৰিয়তে অহা ৮ জুলাইলৈ নিজৰ নাম পঞ্জীয়ন কৰিব পাৰিব। ২০২২-২৩ বৰ্ষত ইতিমধ্যে পঞ্জীযন কৰা শিপিনীসকলে পুনৰ পঞ্জীয়ন কৰিব নালাগে। উল্লেখযোগ্য যে, এই আঁচনিৰ প্ৰথম পৰ্যায়ত ৪ লাখ ৮০ হাজাৰ ৮০ গৰাকী শিপিনীয়ে নাম পঞ্জীয়ন কৰিছে। ইতিমধ্যে ৭ কোটি ৫৮ লাখ ৭১ হাজাৰ ২৬০ টকা মূল্যৰ মুঠ ১ লাখ ৯৬ হাজাৰ ৭২৬টাকৈ পৰম্পৰাগত বস্ত্ৰ সামগ্ৰী ক্ৰয় কৰি আৰ্টফেড আৰু অসম চৰকাৰৰ বেচা-কিনা নিগমৰ জৰিয়তে বিক্ৰীৰ ব্যৱস্থা কৰা হৈছে। এই আঁচনিত কোনো মধ্যভোগী নোহোৱাকৈ শিপিনীসকলৰ পৰা পোনপটীয়াকৈ হস্ততাত উৎপাদিত ১৪ বিধ নিৰ্ধাৰিত পৰম্পৰাগত বস্ত্ৰ সামগ্ৰী ক্ৰয়ৰ ব্যৱস্থা কৰা হৈছে। নিৰ্ধাৰিত নিৰিখত ক্ৰয় কৰা বাবে এনে সামগ্ৰীসমূহৰ ভিতৰত আছে বিভিন্ন প্ৰকাৰৰ গামোচা, বড়ো আৰ্নাই, কাৰ্বি পহ, ৰাভাৰ পাজাৰ, ডিমাচা ৰিচা-বাচা, মিচিং ডুমেৰ, কোচ ৰাজবংশীৰ গামোচা, তিবা ফালি আৰু দেউৰী গামোচা আদি। এই সামগ্ৰীসমূহ বিক্ৰী হোৱাৰ চাৰি দিনৰ ভিতৰত বিক্ৰীৰ মূল্য চৰকাৰে শিপিনীসকলৰ বেংক একাউণ্টত আদায়ৰ দিয়াৰ ব্যৱস্থা কৰিছে।

০০০০০০০০

অসম চৰকাৰে ৰাজ্যখনৰ মুঠ ভৌগোলিক অঞ্চলৰ বনভূমি ৩৬ শতাংশৰ পৰা ৩৮ শতাংশলৈ বৃদ্ধি কৰাৰ পৰিকল্পনা লৈছে। কামৰূপ জিলাৰ চানডুবিত কালি পৰিৱেশ আৰু বন বিভাগৰ উদ্যোগত অমৃত গছপুলি ৰোপণ কাৰ্যসূচীত অংশ লৈ মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই এখন জনসভাত এই বিষয়ে প্ৰকাশ কৰে। তেওঁ কয় যে বন ভূমিৰ সংৰক্ষণ কেৱল সামাজিক কাৰণতে নহয় বৰং ব্যক্তিগত অৰ্থনীতিৰ লগতে ৰাজ্যৰ অৰ্থনীতি তথা ভৱিষ্যৎ প্ৰজন্মৰ সুৰক্ষাৰ বাবে বনভূমি ৰক্ষা কৰিব লাগিব। ৰাজ্যখনৰ প্ৰায় ২০ শতাংশ বনভূমি দখলকাৰীৰ কবলত আছে বুলি মুখ্যমন্ত্ৰীয়ে উল্লেখ কৰে। তদুপৰি পেট্ৰ'ল-ডিজেল আদিৰ অত্যাধিক ব্যৱহাৰ বা জীৱাশ্ম ইন্ধনৰ ব্যৱহাৰৰ ফলত গোলকীয় উষ্ণতা ভয়াৱহভাৱে বৃদ্ধি পাইছে। ৰাজ্যখনৰ বনভূমি সংৰক্ষণ কৰা বাবে গ্ৰহণ কৰা পদক্ষেপৰ অধীনত বিগত দুটা বছৰত ৰাজ্য চৰকাৰে লামডিং সংৰক্ষিত বনাঞ্চল, পাভ সংৰক্ষিত বনাঞ্চল, বুঢ়া চাপৰি বন্য প্ৰাণী অভায়ৰণ্য, ওৰাং ৰাষ্ট্ৰীয় উদ্যান আদিত অভিযান চলাই ৬১ হাজাৰ ৩৭৫ বিঘা বনাঞ্চল দখলমুক্ত কৰা হৈছে বুলি ডঃ শৰ্মাই প্ৰকাশ কৰে।

০০০০০০০০

ভাৰতীয় ৰিজাৰ্ভ বেংকৰ গভৰ্ণৰ শক্তিকান্ত দাসে ৫০০ টকীয়া  নোটৰ প্ৰচলন বন্ধ নহয় বুলি কালি এখন সংবাদমেলযোগে প্ৰকাশ কৰিছে । ২০০০ হাজাৰ টকীয়া নোটৰ প্ৰচলন বন্ধ কৰাৰ দৰে  ৫০০ টকীয়া

নোটৰ প্ৰচলন বন্ধ হ'ব বুলি ওলোৱা বাতৰিৰ কোনো ধৰণৰ সত্যতা নাই বুলি গভৰ্ণৰ শ্ৰী দাসে প্ৰকাশ কৰে। আনহাতে ৫০০ টকীয়া নোট প্ৰত্যাহাৰ আৰু ১০০০ টকীয়া নোট পুনৰ প্ৰচলনক কেন্দ্ৰ কৰি ৰিজাৰ্ভ বেংকে এই পৰ্যন্ত কোনো চিন্তা কৰা নাই বুলি তেওঁ মন্তব্য কৰে। উল্লেখযোগ্য যে ২০০০ টকীয়া নোটৰ ১ দশমিক ৮-০ লাখ কোটি টকা ইতিমধ্যে বেংকসমূহলৈ ঘূৰি আহিছে। এতিয়ালৈ ২০০০ টকীয়া নোটৰ ৮৫ শতাংশ জমা হৈছে। গৱৰ্ণৰগৰাকীয়ে জনসাধাৰণক শেষ মুহূৰ্তলৈকে বেংকত নোট জমা দিয়াৰ বাবে অপেক্ষা নকৰিবলৈ আহ্বান জনায়।

ইপিনে, ভাৰতীয় ৰিজাৰ্ভ বেংকে কালি চলিত বিত্তীয় বৰ্ষৰ বাবে দ্বিতীয়টো দ্বিমাসিক মুদ্ৰা নীতি ঘোষণা কৰিছে। আৰ বি আয়ে ঘাই ঘাই সুদৰ হাৰসমূহ অপৰিৱৰ্তিত আছে।

মুদ্ৰা নীতি সমীক্ষাৰ কথা ঘোষণা কৰি আৰ বি আইৰ গৱৰ্নৰ শক্তিকান্ত দাসে কয় যে, মুদ্ৰা নীতি কমিটীয়ে ৰেপ'ৰেট অৰ্থাৎ আৰ বি আয়ে বেংকসমূহক প্ৰদান কৰা সুদৰ হাৰ ৫ দশমিক ৬ শতাংশ অপৰিৱৰ্তিত ৰখাৰ সিদ্ধান্ত গ্ৰহণ কৰিছে। তেওঁ কয় যে, উপভোক্তা মূল্য সূচ্যাংক আধাৰিত মুদ্ৰাস্ফীতিৰ হাৰ মাৰ্চ-এপ্ৰিল মাহত হ্ৰাস পাইছে। চলিত বিত্তীয় বৰ্ষত মুদ্ৰাস্ফীতিৰ হাৰ ৪ শতাংশৰ অধিক হৈ থকাৰ সম্ভাৱনা আছে বুলি তেওঁ প্ৰকাশ কৰে। আৰ বি আইৰ গৱৰ্নৰগৰাকীয়ে কয় যে, সকলো কাৰকৰ মূল্যায়ন আৰু বাৰিষা কালৰ স্বাভাৱিক বৰষুণৰ সম্ভাৱনালৈ চাই ২০২৩-২৪ বৰ্ষত মুদ্ৰাস্ফীতিৰ হাৰ ৫ দশমিক ১ শতাংশ হ'ব বুলি অনুমান কৰা হৈছে।

০০০০০০০

অসম ৰাজ্যিক দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণে বান সাহাৰ্যৰ ক্ষিপ্ৰ আৰু সুচল বিতৰণৰ ক্ষেত্ৰত সংস্কাৰ অনাৰ বাবে বিভিন্ন ব্যৱস্থা গ্ৰহণ কৰিছে। বান, গৰাখহনীয়া, ভূমিকম্প, ধুমুহাকে ধৰি এনে প্ৰাকৃতিক দুৰ্যোগৰ ফলত হোৱা ক্ষয়-ক্ষতিৰ ক্ষিপ্ৰ মূল্যায়নৰ বাবে ৰাজহ চক্ৰ পৰ্যায়ত এক টাস্ক ফ'ৰ্চ গঠন কৰা হৈছে। য'ত প্ৰাকৃতিক দুৰ্যোগ সংঘটিত হোৱাৰ ১৫ দিনৰ ভিতৰতে পুনৰ সংস্থাপনৰ প্ৰস্তাৱ প্ৰস্তুত কৰি জিলা উপায়ুক্তলৈ প্ৰেৰণ কৰিব পাৰে। তদুপৰি জনমুখী প্ৰশাসনিক সংস্কাৰৰ প্ৰতি লক্ষ্য ৰাখি উপায়ুক্তসকলক ৰাজ্যিক দুৰ্যোগ সঁহাৰি পুঁজিৰ নিয়ম অনুসৰি বিনামূলীয়া খাদ্য সাহাৰ্য, পুনঃসংস্থাপন, অনুদান, কৃষি, পশুপালন, হস্তশিল্প আৰু হস্ততাত ক্ষয়-ক্ষতিৰ বাবে অনুদান, গৃহ, প্ৰাথমিক বিদ্যালয়, প্ৰাথমিক স্বাস্থ্যকেন্দ্ৰ, অংগনবাড়ী কেন্দ্ৰ, বৈদ্যুতিক খুটা আৰু তাঁৰ আদিৰ ক্ষয়-ক্ষতিৰ মেৰামতিৰ বাবে ধনৰ অনুমোদন আৰু বিতৰণ কৰাৰ বিত্তীয় ক্ষমতা অৰ্পণ কৰা হৈছে। লগতে প্ৰতিখন জিলাৰ উপায়ুক্তই প্ৰাকৃতিক দুৰ্যোগ সংঘটিত হোৱা দিনৰ পৰা ৩০ দিনৰ ভিতৰত এনে অনুদান মঞ্জুৰ কৰাৰ লগতে বিতৰণ কৰিব। তদুপৰি ৰাজ্যিক দুৰ্যোগ সঁহাৰি পুঁজিৰ শিতানত অন্তৰ্ভুক্ত নোহোৱা যিকোনো সাহাৰ্য বিতৰণৰ বাবেও মুখ্যমন্ত্ৰী সাহাৰ্য পুঁজিৰ পৰা জিলা উপায়ুক্তসকললৈ ১০ লাখ টকাৰ প্ৰাৰম্ভিক পুঁজি প্ৰদানৰ ব্যৱস্থা কৰা হৈছে। ইপিনে বান ক্ষতিগ্ৰস্ত হিতাধিকাৰীৰ সাহায্যৰ্থে চৰকাৰে বিভিন্ন সা-সুবিধা আগবঢ়োৱ ব্যৱস্থা কৰিছে। বানত ক্ষতিগ্ৰস্ত ঘৰসমূহৰ মেৰামতিৰ বাবে ভৈয়াম অঞ্চলত ঘৰে প্ৰতি এক লাখ ২০ হাজাৰ টকা আৰু পাহাৰীয়া অঞ্চলত প্ৰতি ঘৰে এক লাখ ৩০ হাজাৰ টকাকৈ সাহাৰ্য আগবঢ়াব। আনহাতে আংক্ষিকভাৱে ক্ষতিগ্ৰস্ত ঘৰসমূহলৈও সাহাৰ্য আগঢ়োৱাৰ লগতে কৃষি ভূমি লোকচানৰ বাবে কৃষকসকলকো সাহাৰ্যৰ ব্যৱস্থা কৰিছে। তদুপৰি এনে প্ৰাকৃতিক দুৰ্যোগত ক্ষতি হোৱা শিপিনীসকলক ক্ষতিপূৰণ দিয়াৰ লগতে ক্ষুদ্ৰ আন্তঃগাঠনিৰ ক্ষতিৰ বাবদো ৰাজ্য চৰকাৰে সাহাৰ্য প্ৰদানৰ ব্যৱস্থা কৰিছে।

০০০০০০০০

ৰাজ্যৰ মহাবিদ্যালয়সমূহত ২০২৩-২৪ শৈক্ষিক বৰ্ষৰ পৰা উমৈহতীয়া প’ৰ্টেল ‘সমৰ্থ’ৰ জৰিয়তে নামভৰ্তি কৰা হ’ব বুলি ৰাজ্যৰ উচ্চ শিক্ষাধিকৰ্তাই এখন জাননীযোগে প্ৰকাশ কৰিছে। ছাত্ৰ-ছাত্ৰীসকলে এই প’ৰ্টেলৰ জৰিয়তে যিখন মহাবিদ্যালয়ত নামভৰ্তিৰ বাবে আবেদন জনাব সেই তথ্য সংশ্লিষ্ট মহাবিদ্যালয়খনৰ ই-মেইল আই ডি লৈ প্ৰেৰণ কৰা হ’ব। ইয়াৰ পাছতে ছাত্ৰ-ছাত্ৰীসকলে স্নাতক পাঠ্যক্ৰমৰ বাবে সমৰ্থ প’ৰ্টেলৰ জৰিয়তে নামভৰ্তি কৰিব পাৰিব। জাননীখনত প্ৰকাশ কৰা মতে ৰাজ্যৰ ৪ খন বিশ্ববিদ্যালয়ৰ অধীনৰ ৩৩৭ খন মহাবিদ্যালয়ত এই প’ৰ্টেলত নামভৰ্তিৰ বাবে চাৰিটা ভাগত ভাগ কৰা হ’ব। উল্লেখযোগ্য যে যোৱা শৈক্ষিক বৰ্ষলৈকে মহাবিদ্যালয়সমূহে নিজাববীয়াকৈ স্নাতক পাঠ্যক্ৰমত নামভৰ্তি প্ৰক্ৰিয়া পৰিচালনা কৰিছিল। যোৱা ২৬ মে’ত শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱে ৰাজ্যৰ মহাবিদ্যালয়সমূহত নামভৰ্তিৰ বাবে আবেদন এইবাৰৰ পৰা ‘সমৰ্থ’ পৰ্টেলৰ জৰিয়তে উমৈহতীয়াভাৱে কৰা হ’ব বুলি ঘোষণা কৰিছিল। ইয়াৰ ফলস্বৰূপে মহাবিদ্যালয়সমূহে নামভৰ্তিৰ প্ৰক্ৰিয়া এতিয়ালৈকে আৰম্ভ কৰিব পৰা নাছিল।

০০০০০০০

আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ আঞ্চলিক বাতৰি বিভাগত  কামৰূপ মহানগৰ জিলাৰ বাবে অংশকালীন সংবাদদাতাৰ বাবে আবেদন বিচৰা হৈছে। ২০২২ বৰ্ষৰ প্ৰসাৰ ভাৰতীৰ নিৰ্দেশনানুযায়ী কামৰূপ মহানগৰ জিলাৰ প্ৰাৰ্থীয়েহে এই আবেদন কৰিব পাৰিব। আগ্ৰহী প্ৰাৰ্থীয়ে WWW. NEWSONAIR.GOV.IN ৱেবচাইটত আবেদনৰ বিতং তথ্য জানিব পাৰিব। প্ৰাৰ্থীসকলে ৱেৱছাইটৰ পৰা  নিৰ্ধাৰিত প্ৰপত্ৰ ডাউনলোড কৰি পূৰণ কৰাৰ লগতে স্বপ্ৰত্যায়িত কৰি একপি শেহতীয়া পাছপোৰ্ট আকাৰৰ আলোকচিত্ৰসহ প্ৰয়োজনীয় সকলো নথিসহ সংলগ্ন কৰি পঠিয়াব লাগিব। প্ৰপত্ৰসমূহ - মুৰববী, আকাশবাণী গুৱাহাটী, চানমাৰি, গুৱাহাটী- ৭৮১০০৩ ঠিকনা লিখি আকাশবাণী গুৱাহাটীৰ ড্ৰপবক্সত ২১ জুনৰ আগেয়ে জমা দিব লাগিব।

০০০০০০০

আকাশবাণী গুৱাহাটীৰ আঞ্চলিক বাতৰি বিভাগে প্ৰচাৰ কৰি অহা দৃষ্টিপাত অনুষ্ঠানত কাইলৈ  কুশল কোঁৱৰ শীৰ্ষক বিষয়ক লৈ আলোচনা অনুষ্ঠিত হ’ব। অশোক ভট্টাচাৰ্যই আঁতধৰিবলগীয়া  অনুষ্ঠানত অতিথি হিচাপে নাট্যকাৰ তথা পৰিচালক ভূপেন গোস্বামী আৰু অসম ৰাজ্যিক মুক্তি যুজাৰু সন্মিলনৰ সাধাৰণ সম্পাদক দিজেন্দ্ৰ মোহন শৰ্মা  উপস্থিত থাকিব। অনুষ্ঠানটি কাইলৈ নিশা ৮ বজাত প্ৰচাৰ কৰা হ’ব।

০০০০০

ইংলেণ্ডৰ অ’ভেলত কালি অনুষ্ঠিত বিশ্ব টেষ্ট ক্ৰিকেট চেম্পিয়নশ্বিপৰ ফাইনেলত অষ্ট্ৰেলিয়াই প্ৰথম ইনিংছত ৪৬৯ ৰান সংগ্ৰহ কৰাৰ প্ৰত্যুত্তৰত ভাৰতে দ্বিতীয় দিনাৰ খেলৰ শেষলৈকে ৫টা উইকেটৰ বিনিময়ত ১৫১ ৰান সংগ্ৰহ কৰে। প্ৰতিযোগিতাত ভাৰত এতিয়াও ৩১৮ ৰানৰ ব্যৱধানত পিছ পৰি আছে। কে এছ ভৰতে ৫ ৰান আৰু আজিংকা ৰাহানেই ২৯ ৰান সংগ্ৰহ কৰি খেলি আছিল। ইয়াৰ পূৰ্বে অষ্ট্ৰেলিয়াই প্ৰথম ইনিংছত ৪৬৯ ৰানত আটাইকেইটা উইকেট হেৰুৱায়। ভাৰতৰ হৈ মহম্মদ ছিৰাজে ৪টা উইকেট দখল কৰাৰ বিপৰীতে ছাৰ্দুল ঠাকুৰ আৰু মহম্মদ ছামিয়ে দুটাকৈ উইকেট দখল কৰে। আনহাতে অষ্ট্ৰেলিয়াৰ বেটছমেন ট্ৰেভিজ হেড আৰু ষ্টীভ স্মিথে ক্ৰমে ১৬৩ আৰু ১২১ ৰান সংগ্ৰহ কৰে। ভাৰতে একেৰাহে দ্বিতীয়বাৰৰ বাবে বিশ্ব টেষ্ট চেম্পিয়নশ্বিপৰ ফাইনেল খেল খেলিছে।

০০০০০০

<u>Newspaper Review (09-06-2023 Morn.)</u>

ভাৰতীয় ৰিজাৰ্ভ বেংকৰ বিত্তীয় নীতি সমিতিয়ে প্ৰকাশ কৰা মতে ২০২২-২৩ বিত্তীয় বৰ্ষত মুঠ ঘৰুৱা উৎপাদন (ৰিয়েল জি ডি পি) ৬ দশমিক ৫ শতাংশলৈ অৱনমিত হ'ব। ৰিজাৰ্ভ বেংকৰ অনুমান মতে জি ডি পিৰ প্ৰথমটো ত্ৰৈমাসিকত ৮ শতাংশ, দ্বিতীয়টো ত্ৰৈমাসিকত ৬ দশমিক ৫ শতাংশ, তৃতীয়টো ত্ৰৈমাসিকত ৬ শতাংশ আৰু চতুৰ্থটো ত্ৰৈমাসিকত ৫ দশমিক ৭ শতাংশলৈ অৱনমিত হ'ব। এই বাতৰি **দৈনিক জনমভূমি** কাকতে প্ৰথম পৃষ্ঠাত মুখ্য বাতৰি হিচাপে প্ৰকাশ কৰিছে। মহানগৰীৰ গণেশগুৰিত সংঘটিত পথ দুৰ্ঘটনাত একাদশ শ্ৰেণীৰ প্ৰিয়া কুমাৰী নামৰ ছাত্ৰীগৰাকীয়ে কৰুণ মৃত্যুক সাৱতি লোৱাৰ বাতৰি **The Sentinel** কাকতে প্ৰকাশ কৰিছে। অশান্ত জৰ্জৰ মণিপুৰৰ বাবে কেন্দ্ৰই ১০১ দশমিক ৭ - ৫ কোটি টকাৰ পেকেজত অনুমোদন জনোৱাৰ বাতৰি **The Assam Tribune** কাকতে প্ৰকাশ কৰিছে। সমষ্টি পুনৰ নিৰ্ধাৰণ সন্দৰ্ভত উচ্চতম ন্যায়ালয়ত চলি থকা গোচৰৰ অহা ২৫ জুলাইত হ'বলগীয়া চূড়ান্ত শুনানিৰ আগেয়ে খচৰা প্ৰকাশকে ধৰি আন আন কচৰৎ নচলাবলৈ ১১টা বিৰোধী ৰাজনৈতিক দলে নিৰ্বাচন আয়োগক অনুৰোধ জনাইছে। এই বাতৰি **দৈনিক অসম** কাকতে গুৰুত্ব সহকাৰে প্ৰকাশ কৰিছে। মেট্ৰিক, উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাৰ কৃতি শিক্ষাৰ্থীসহ ইউ পি এছ্‌ চিৰ উত্তীৰ্ণ প্ৰাৰ্থীক ১৭ জুনত সদৌ অসম ছাত্ৰ সন্থাই অভিনন্দন জ্ঞাপন কৰিব। **অসমীয়া খবৰ** কাকতে এই বাতৰি প্ৰকাশ কৰিছে। নগাঁৱত হেলমেট নিপিন্ধাকৈ মটৰ চাইকেল চলোৱা আৰক্ষীক ৰাইজে জৰিমণা বিহাৰ বাতৰি **আমাৰ অসম** কাকতে বক্স বাতৰি হিচাপে প্ৰকাশ কৰিছে। এছ্‌ চি ই আৰ টিৰ ১০৫ কোটি টকীয়া কেলেংকাৰিত গ্ৰেপ্তাৰ হোৱা ৮ অভিযুক্তৰ জামিন নাকচ কৰাৰ বাতৰি **নিয়মীয়া বাৰ্তা** কাকতে প্ৰকাশ কৰিছে। লিডুৰ কয়লাখনিত পুনৰ শ্ৰমিকে প্ৰাণ হেৰুওৱাৰ বাতৰি **দৈনিক অগ্ৰদূত** কাকতে প্ৰকাশ কৰিছে। অসমৰ শ্ৰমিকক অৰুণাচলৰ পাচিঘাটত হাত-ভৰি বান্ধি নিৰ্মম প্ৰহাৰ কৰাৰ অভিযোগ উত্থাপিত হৈছে। প্ৰহাৰৰ ভিডিঅ' ইতিমধ্যে সামাজিক মাধ্যমত ভাইৰেল হৈছে। **অসমীয়া প্ৰতিদিন** কাকতে এই বাতৰি প্ৰকাশ কৰিছে।

আজি প্ৰকাশিত অন্যান্য বাতৰিৰ ভিতৰত আছে – ডিব্ৰুগড়, শিৱসাগৰ, গোলাঘাট জিলাত কমাব এটাকৈ সমষ্টি, পঞ্চৰত্নত নিৰ্মীয়মান দলঙৰ ১৩ নম্বৰ খুঁটাও হালিল, কেৰালাত মৌচুমী বায়ুৰ প্ৰৱেশ, বৰষুণ আৰম্ভ ইত্যাদি। এয়াই আছিল আজি গুৱাহাটীৰ পৰা প্ৰকাশিত বাতৰি কাকতসমূহৰ প্ৰথম পৃষ্ঠাৰ বাতৰিত চমু অৱলোকন।

ooooo

**সমাপ্ত**